# Handing over of 10 Broad Gauge Locomotives to Bangladesh

27 Jully,2020

---

# বাংলাদেশক ১০টা ব্ৰডগেজ ৰেল ইঞ্জিন হস্তান্তৰ

**২৭জুলাই, ২০২০**

আজি অনুষ্ঠিত এক হস্তান্তৰ কাৰ্য্যসূচীৰ জৰিয়তে ভাৰতৰ বৈদেশীক মন্ত্ৰী ড. এছ. জয়শংকৰৰ লগতে ৰেল, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে ভাৰ্চুৱেল পদ্ধতিৰে বাংলাদেশ অভিমূখী ১০টা ব্ৰডগেজ ৰেল ইঞ্জিন যাত্ৰাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানটোত কেন্দ্ৰীয় ৰাজ্যিক ৰেল মন্ত্ৰী, সুৰেশ আংগাড়িও উপস্থিত থাকে। বাংলাদেশৰ তৰফৰ পৰা ৰেলমন্ত্ৰী নুৰুল ইছলাম সুজন আৰু বৈদেশীক মন্ত্ৰী ড. আবুল কালাম আব্দুল মমিনে বাংলাদেশ চৰকাৰৰ হৈ ৰেল ইঞ্জিন কেইটা গ্ৰহন কৰে।

ভাৰত চৰকাৰৰ অনুদান সহায়তাৰ অধীনত আগবঢ়োৱা এই ৰেল ইঞ্জিন কেইটাৰ হস্তান্তৰ কাৰ্য্যসূচীৰ জৰিয়তে, ২০১৯ বৰ্ষৰ অক্টোবৰ মাহত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শেখ হাছিনাৰ ভাৰত ভ্ৰমণৰ কালছোৱাত প্ৰদান কৰা প্ৰতিশ্ৰুতি বাস্তবায়িত কৰা হয়। বাংলাদেশ ৰেলৱেৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই ৰেল ইঞ্জিন কেইটা ভাৰতৰ তৰফৰ পৰা যথাযথ ৰূপত তৈয়াৰ কৰা হৈছে। বাংলাদেশত ৰেল যাত্ৰী আৰু মালবাহী ৰেল চলাচলৰ বৰ্ধিত মাত্ৰাৰ দিশটোত, এই ইঞ্জিন কেইটা বাৰুকৈ সহায়ক হব।

অনুষ্ঠানটোত নিজৰ ব্যক্তব্য প্ৰদান কৰি, ভাৰতৰ বৈদেশিক মন্ত্ৰী ড. এছ. জয়শংকৰে, ইতিমধ্যেই প্ৰতিষ্ঠিত পৰস্পৰীয় বিশ্বাস আৰু সন্মানৰ ওপৰত আধাৰিত, ভাৰত-বাংলাদেশৰ মাজত অব্যাহত থকা গভীৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰে। তেঁও এই বিষয়ত সন্তোষ প্ৰকাশ কৰি কয় যে কোভিড অতিমাৰীয়ে দুয়োখন দেশৰ দ্বিপাক্ষীক সহযোগিতাৰ গতি কোনো কাৰণতেই মন্থৰ কৰি পেলোৱা নাই আৰু লগতে এই বাৰ্তা প্ৰেৰণ কৰে যে বৰ্তমানে অব্যাহত থকা ঐতিহাসিক মুঝিব-বাৰ্চোৰ ক্ষেত্ৰতো এনে বহুতো মাইলৰ সূতি স্থাপন কৰিবৰ বাবে ভাৰত সাজু।

ৰেল, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী শ্ৰী পিয়ুষ গোৱেলে, দ্বিপাক্ষীক বাণিজ্য আৰু সংযোগ উন্নয়নৰ লগতে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক অংশীদাৰিত্ব বৃদ্ধি কৰাৰ দিশত, ৰেলৱে সহযোগিতাৰ গুৰুত্বক আঙুলিয়াই দিয়ে।

শেহতীয়াকৈ, কোভিড-১৯ৰ ফলত দুয়োখন দেশৰ মাজত স্থল-সীমান্তৰে যাতায়াত ব্যৱস্থা ব্যাহাত হৈ পৰাত ভাৰত আৰু বাংলাদেশে এই অতিমাৰীৰ প্ৰভাৱ হ্ৰাস কৰিবলৈ পৰস্পৰৰ মাজত ৰেলৱে

সহযোগিতা বৃদ্ধি কৰিছে। এই ৰেল চলাচল, কম খৰচি আৰু পাৰিপাৰ্শ্বিক দিশৰ পৰা অনুকুল সমাধান হিচাপে দুয়োখন দেশৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰী সৰবৰাহৰ ক্ষেত্ৰত যথেষ্ঠ সহায়ক হৈ পৰিছে। জুন মাহত দুয়োখন দেশৰ মাজত সৰ্বাধিক মালবাহী ৰেলৰ চলাচল হৈছে। অত্যাৱশ্যকীয় সামগ্ৰী আৰু কেঁচা মাল সৰবৰাহৰ বাবে প্ৰায় ১০৩ খন মালবাহী ৰেল ব্যৱহাৰ কৰা হৈছে।

শেহতীয়াকৈ ভাৰত আৰু বাংলাদেশৰ মাজত পাৰ্চেল আৰু কণ্টেইনাৰ ৰেল সেৱাও আৰম্ভ কৰা হৈছে। ইয়াৰ ফলত দ্বিপাক্ষীক বাণিজ্যৰ পৰিসৰ বহুগুণে বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

**নতুন দিল্লী**
**২৭ জুলাই, ২০২০**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.